**63/2 (SEM–1) ASMADL14024/ASM102**

# 2025

# ASSAMESE

(Core)

Paper : ASMADL14024

***( Structural Analysis of the Assamese Language )***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) ভাষা অধ্যয়নৰ কোনটো শাখাত স্বৰ আৰু ব্যঞ্জন বৰ্ণসমূহৰ বিশ্লেষণ কৰা হয়?

*(i)* ধ্বনিতত্ত্ব

*(ii)* ৰূপতত্ত্ব

*(iii)* শব্দতত্ত্ব

*(iv)* বাক্যতত্ত্ব

(খ) স্বৰবৰ্ণৰ উচ্চাৰণত ব্যৱহৃত বাকযন্ত্ৰৰ দুটা অংশ হ'ল ক্ৰমে—

(i) ওঁঠ আৰু জিভা

(ii) তালুকা আৰু জিভা

(iii) তালুকা আৰু ঘটিকা

(iv) জিভা আৰু দাঁত

(গ) 'Morph'-ৰ অসমীয়া প্ৰতিশব্দটো হ'ল—

(i) ধ্বনি

(ii) ৰূপ

(iii) বৰ্ণ

(iv) উপধ্বনি

(ঘ) 'উপসৰ্গ'ৰ ইংৰাজী প্ৰতিশব্দ হ'ল—

(i) Suffix

(ii) Infix

(iii) Prefix

(iv) Phoneme



(ঙ) ধাতুৰ লগত সংযোগ হোৱা প্ৰত্যয়বোৰক কি বুলি কোৱা হয়?

(i) তদ্ধিৎ প্ৰত্যয়

(ii) স্ত্ৰী প্ৰত্যয়

(iii) নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়

(iv) কৃৎ প্ৰত্যয়

(চ) 'নানাৰঙী পৰিভ্ৰমী চৰাইবোৰে বাগিছাৰ ফলবোৰ খুঁটি খুঁটি খালে'—কি বাক্যৰ উদাহৰণ?

(i) সৰল বাক্য

(ii) যৌগিক বাক্য

(iii) জটিল বাক্য

(iv) খণ্ডবাক্য

২। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা : ৬×৬=৩৬

(ক) উপধ্বনি কাক বোলে, বুজাই লিখা।

(খ) বাকযন্ত্ৰ কাক বোলে চিত্ৰসহ বুজাই লিখা।

(গ) প্ৰকৃতি কি? প্ৰকৃতিৰ শ্ৰেণীবিভাজন কেনেদৰে কৰা হৈছে? উদাহৰণসহ বুজাই লিখা। ২+৪=৬

(ঘ) সৰ্গ কাক বোলে? সৰ্গৰ শ্ৰেণীবিভাজন সম্পৰ্কে উদাহৰণসহ বুজাই লিখা।

(ঙ) অসমীয়া ভাষাত প্ৰাপ্ত কাৰক-বিভক্তিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা আৰু প্ৰতিটো কাৰকৰ উদাহৰণসহ সংজ্ঞা দিয়া।

(চ) সংযুক্ত ব্যঞ্জন কি? অসমীয়া ভাষাৰ পৰা উদাহৰণ লৈ সংযুক্ত ব্যঞ্জন সম্পৰ্কে খৰচি মাৰি লিখা। ২+৪=৬

(ছ) 'কাল' কাক বোলে? 'কাল'ৰ লগত ভাৱ আৰু পুৰুষৰ সম্পৰ্ক কি? তালিকাৰ সহায়ত দেখুওৱা। ২+৪=৬

(জ) অসমীয়া ভাষাত ধ্বনিবৈজ্ঞানিক চৰ্চা সম্পৰ্কে এটা নাতিদীৰ্ঘ প্ৰবন্ধ প্ৰস্তুত কৰা।

(ঝ) নিৰ্দ্দিষ্টতাবাচক আৰু অনিৰ্দ্দিষ্টতাবাচক প্ৰত্যয় কি? উদাহৰণৰ সহায়ত বুজাই লিখা। ৩+৩=৬

*তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা।*

৩। 'ৰূপ' কাক বোলে? গঠন আৰু অৰ্থ অনুসৰি ৰূপক কেইপ্ৰকাৰত ভাগ কৰা হৈছে খৰছি মাৰি লিখা। ২+১২=১৪

৪। 'ধাতু' কাক বোলে? ধাতুৰ প্ৰকাৰভেদ সম্পৰ্কে উদাহৰণসহ লিখা। ২+১২=১৪



৫। অসমীয়া ভাষাৰ স্বৰবৰ্ণসমূহৰ ঐতিহাসিক বিৱৰ্তন সম্পৰ্কে বুজাই লিখা। ১৪

৬। ব্যঞ্জন ধ্বনি কাক বোলে? অসমীয়া ভাষাত প্ৰাপ্ত ব্যঞ্জন ধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা আৰু প্ৰতিটো ধ্বনিৰ সংজ্ঞা আগবঢ়োৱা। ২+১২=১৪

**ASSAMESE**

Paper : ASM102

***(Evolution of Assamese Language)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) লোকভাষাৰ বিশেষত্ব

(খ) নব্য ভাৰতীয় আৰ্যভাষা

(গ) কামৰূপী উপভাষা

(ঘ) শ্ৰীকৃষ্ণকীৰ্তন

(ঙ) শূন্য পুৰাণ

*তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।*

২। 'ব্ৰজাবলী' ভাষা কি? এই ভাষাৰ উদ্ভৱ আৰু সমৃদ্ধি সম্পৰ্কে বুজাই লিখা। ৪+৬=১০



৩। মাধৱ কন্দলীৰ সপ্তকাণ্ড ৰামায়ণৰ ভাষাক কোনবোৰ অসমীয়া শব্দই সমৃদ্ধ কৰিছে, উদাহৰণসহ লিখা। ১০

৪। সাম্প্ৰতিক অসমীয়া ভাষাত ইংৰাজী ভাষাৰ প্ৰভাৱ কেনেদৰে পৰিছে? এই প্ৰভাৱে অসমীয়া ভাষাটোক কেনেদৰে প্ৰভাৱান্বিত কৰিছে বুলি তুমি ভাবা, বুজাই লিখা। ৬+৪=১০

৫। চৰিত পুথিৰ ভাষাত প্ৰাপ্ত *যিকোনো ছয়টা* বিশেষত্ব উল্লেখ কৰা। ১০

*তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা।*

৬। ভাৰতীয় আৰ্য ভাষা কি? ভাৰতীয় আৰ্য ভাষাৰ পৰা কিদৰে অসমীয়া ভাষাৰ উৎপত্তি সম্ভৱ হ'ল বুজাই লিখা। ১৫

৭। যুদ্ধোত্তৰ যুগত অসমীয়া ভাষালৈ নামি অহা পৰিবৰ্তনবোৰ কেনেধৰণৰ, বুজাই লিখা। ১৫

৮। অসমীয়া ভাষাৰ বৰ্তমান আৰু ভবিষ্যৎ সম্পৰ্কে তোমাৰ ধাৰণা ব্যক্ত কৰিব পৰাকৈ এটা প্ৰবন্ধ যুগুত কৰা। ১৫